**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-07-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত পৰহিলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে  বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে। অৱশ্যে একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব।

মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। ইপিনে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলা উচ্ছেদ অভিযানৰ ফলত উচ্ছেদিত লোকসকলে আন কিছু অঞ্চলত আশ্ৰয় লোৱা বুলি প্ৰশাসনে লাভ কৰা তথ্যৰ ভিত্তিত মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰত বিষয়টোৰ বিস্তৃতভাৱে পৰ্যালোচনা কৰে। উচ্ছেদিত লোকসকলৰ আন ঠাইত প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

বিধানসভা নিৰ্বাচনৰ বাবে অসম গণ পৰিষদ দলে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰিছে। ইয়াৰ অংশ হিচাপে আজি বৰপেটাত দলটোৰ এখন কৰ্মী সভা আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাত অংশ লৈ বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে এইবাৰৰ নিৰ্বাচনটো বিজেপি আৰু অসম গণ পৰিষদ দল মিত্ৰতাৰে অৱতীৰ্ণ হ'ব বুলি উল্লেখ কৰে। বৰপেটা বিধানসভা সমষ্টিত এইবাৰো দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি তেওঁ উল্লেখ কৰে। আজিৰ সভাত দলৰ ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, অগপৰ কেন্দ্ৰীয় সমিতিৰ জ্যেষ্ঠ নেতা অপূৰ্ব কুমাৰ ভট্টাচাৰ্য্যৰ উপৰি কেইবাগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকে।

০০০০

নগাওঁ জিলাৰ চাপানালাৰ ঐতিহাসিক চম্পাৱতী জলপ্ৰপাতত আনন্দ উপভোগ কৰাৰ লগতে সুৰাপান কৰি কেবাজনো লোক মৃত্যুমুখত পৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তই এইক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনাইছে। আজি জলপ্ৰপাতৰ সমীপত উপস্থিত হৈ জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জনসাধাৰণৰ প্ৰতি এই আহ্বান জনায়। তেওঁ কয় যে যোৱা সপ্তাহত এই অঞ্চলৰ পৰা  বনভোজ খাই উভতি যোৱাৰ সময়ত চাপানালা-বামুনী সংযোগী গড়কাপ্তানী পথত হোৱা পথ দুৰ্ঘটনাত ৪ জন লোকৰ মৃত্যু হৈছিল।  তেওঁ কয় যে চলিত বছৰৰ প্ৰথম ৭ টা মাহত জিলাখনত সুৰাপানৰ ফলত হোৱা দুৰ্ঘটনাত ৭০ জন লোক মৃত্যু মুখত পৰিছে। তদুপৰি শতাধিক লোক আহত হৈছে। আয়ুক্তগৰাকীয়ে এনেদৰে ৰাজহুৱা স্থানত সুৰাপান নকৰিবলৈ আহ্বান জনোৱাৰ লগতে সুৰাসক্ত হৈ যান-বাহন নচলাবলৈও আহ্বান জনায়।

০০০০

বজালী জিলাৰ ৰূপদিগা গাঁৱত গাহৰীৰ দেহত আফ্ৰিকান ছোৱাইন ফিভাৰ ধৰা পৰাৰ পৰিপ্ৰেক্ষিতত পশু চিকিৎসা বিভাগে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত খবৰ পোৱাৰ লগে লগে পশু চিকিৎসকৰ দল গাঁৱখনত উপস্থিত হৈ গাহৰীৰ পৰা নমুনা সংগ্ৰহ কৰি গুৱাহাটী পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰে। যোৱা নিশা ৰাজ্যৰপশু চিকিৎসা সঞ্চালকৰ কাৰ্যালয়ে এই

ৰোগ নিশ্চিত কৰাৰ পাছত সংক্ৰমন ৰোধ কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অনুসৰি সংক্ৰমন হোৱা ঠাইৰ পৰা এক কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকা সামৰি গাহৰী জৰীপ কৰা হৈছে। জিলাখনৰ পশু চিকিৎসা বিষয়া ডাঃ সতীশ মেধিয়ে প্ৰকাশ কৰা মতে, জিলা প্ৰশাসনে দিয়া নিৰ্দেশ অনুসৰি সতৰ্কতামূলক ব্যৱস্থা হিচাপে সংক্ৰমিত অঞ্চলত গাহৰি নিধন কৰা হ'ব। জিলাখনৰ বটিয়া অঞ্চলতো এই ৰোগ ধৰা পৰিছে বুলি প্ৰকাশ কৰা হৈছে।

০০০০

কাৰ্বি আংলং জিলাৰ বৰজান সমষ্টিৰ উন্নযন সমিতিৰ উদ্যোগত আজি লাংৰকু জলপ্ৰপাতৰ বনভোজস্থলীত বিভিন্ন গছৰ পুলি ৰোপণ কৰা হয়। এই গছপুলি ৰোপন কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্বি ভাষা উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা ডিফু চৰকাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নবীন টেৰাঙে অংশ লয়। তেওঁলোকে লগতে জিলাখনৰ অন্যতম আকৰ্ষণীয় এই পৰ্যটনস্থলীত চাফাই অভিযানো চলায়। শ্ৰীটেৰাঙে জলপ্ৰপাতটোৰ কাষৰ ঠাইসমূহ পৰিস্কাৰ-পৰিচ্ছন্ন ৰাখিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০

কোকৰাঝাৰত অনুষ্ঠিত ১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিয়ে ব্যৰ্থতাৰে অভিযান আৰম্ভ কৰে। সেনাবাহিনীয়ে আয়োজন কৰা এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনত অভিষেক কৰাৰ সুযোগ লাভ কৰা ফুটবল দলটোৱে আই টি বি পি ফুটবল দলৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেলত ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হয়। খেলখনৰ ২২ মিনিটতে মৰ্নিং ষ্টাৰৰ খেলুৱৈয়ে ৰঙা কাৰ্ড লাভ কৰাত বাকী সময়খিনি ১০জনে খেলিবলগীয়া হয়।

ইয়াৰ পূৰ্বে কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতিযোগিতাত কাইলৈ কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত গ্ৰুপ বিৰ প্ৰথমখন খেলত মহমেদান স্পোৰ্টিং দলে ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে খেলিব।

০০০০

অ'ল ট্ৰেফৰ্ডত অনুষ্ঠিত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল ড্ৰৰ দিশে আগবাঢ়িছে। আজি অন্তিম দিনটোত ভাৰতে নিজৰ দ্বিতীয় ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈ ৪ টা উইকেটৰ বিনিময়ত ৩৫৭ ৰান সংগ্ৰহ কৰিছে। ৱাশ্বিংটন সুন্দৰে ৭১ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ৭৩ ৰান কৰি খেলি আছে। কে এল ৰাহুল ৯০ আৰু অধিনায়ক শুভমন গিল ১০৩ ৰান কৰি আউট হয়।

সম্প্ৰতি এই পাঁচখনীয়া খেলৰ টেষ্ট শৃংখলাত ইংলেণ্ড ১-২ ফলাফলত আগবাঢ়ি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ